# কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত-পুৰাতন অধ্যয়ন বিশ্ববিঃত বক্তৃতানুষ্ঠান



বিশেষ বাৰ্তা, নলবাৰী, ২৫ জানুৱাৰী ঃ 'অসমৰ সাংস্কৃতিক ঐতিহ্য বোধগম্যত পাণ্ডুলিপিৰ ভূমিকা' শীৰ্ষক এক বক্তৃতানুষ্ঠান নলবাৰীৰ নমাটিস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ত অনুষ্ঠিত হয়। ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰ, উত্তৰ-পূব আঞ্চলিক কেন্দ্ৰৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়ৰ সংস্কৃত সাহিত্য বিভাগৰ সহযোগত অনুষ্ঠিত বক্তৃতানুষ্ঠানখন কালি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰ, উত্তৰ-পূব আঞ্চলিক কেন্দ্ৰৰ সঞ্চালক ড° ৰিচা নেগীয়ে। বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° হেমেন্দ্ৰ শৰ্মাই আদৰণী ভাষণ প্ৰদান কৰা বক্তৃতানুষ্ঠানটো সঞ্চালনা কৰে নলবাৰী কমাৰ্চ কলেজৰ অৱসৰী অধ্যক্ষ ড° বসন্ত কুমাৰ দেৱগোস্বামীয়ে। বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি শিলচৰৰ গুৰুচৰণ মহাবিদ্যালয়ৰ বাংলা বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° অমলেন্দু ভট্টাচাৰ্যই ভাষণত মধ্যযুগৰ পৰা বৰ্তমানলৈ অসমত উপলব্ধ পাণ্ডুলিপিসমূহত নিহিত সাংস্কৃতিক সমলসমূহৰ ওপৰত বিস্তৃত বিৱৰণ দাঙি ধৰে। সাঁচিপতীয়া পুথি, সচিত্ৰ পুথি আদিৰ জৰিয়তে অসমীয়া চিত্ৰশিল্পৰ ভঁৰাল চহকী হোৱাৰ পটন্তৰ তেওঁ দাঙি ধৰে। তেওঁ দেৱী পুৰাণ, চিত্ৰ ভাগৱত আদি প্ৰাচীন গ্ৰন্থত উল্লিখিত পাণ্ডুলিপি প্ৰস্তুতৰ বিভিন্ন আহিলা আৰু পদ্ধতিৰ বিশ্লেষণ কৰে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মাই ভাষণত পাণ্ডুলিপি আৰু সাঁচিপতীয়া পুথিৰ ৰক্ষণাবেক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইপিনে অনুষ্ঠানৰ সঞ্চালক ড° বসন্ত কুমাৰ দেৱগোস্বামীয়ে ভাষণত অসমত পাণ্ডুলিপিৰ বিজ্ঞান চৰ্চাৰ ইতিহাস বিশদভাৱে আলোচনা কৰে। অসমৰ সাঁচিপতীয়া পুথিৰ বৰ্ণনাত্মক তালিকা প্ৰস্তুতকৰণৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ পোষকতা কৰে। বক্তৃতানুষ্ঠানত বিশ্ববিদ্যালয়খনৰ সংস্কৃত সাহিত্য বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰাতুল বুজৰবৰুৱা, অধ্যাপক ড° কমল লোচন আত্ৰেয়, ড° পমী তালুকদাৰ, ড° নুৰিমা ইয়াচমিনকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰ, উত্তৰ-পূব আঞ্চলিক কেন্দ্ৰৰ প্ৰকল্প সহায়ক অংকুৰ ডেকাই।